# 2025

## ASSAMESE

( Minor )

Paper : ASS0500604

( আধুনিক অসমীয়া গীতিসাহিত্য )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমু উত্তৰ লিখা (যি কোনো দহটা) : ১×৮=৮

(ক) আধুনিক অসমীয়া ভাষাৰ প্ৰথম গীতৰ পুথিখনৰ নাম লিখা।

(খ) ৰুদ্ৰ বৰুৱাক কি বিশেষণেৰে বিভূষিত কৰা হৈছিল?

(গ) 'আমোলমোল' শব্দটোৰ অৰ্থ কি?

(ঘ) 'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা' গীতটি জ্যোতিপ্ৰসাদৰ কোনখন নাটকৰ অন্তৰ্ভুক্ত গীত?

(ঙ) 'সোণৰ খাৰু নেলাগে মোক' গীতটি প্ৰথমতে কাৰ কণ্ঠত বাণীবদ্ধ কৰা হৈছিল?

(চ) হীৰেন ভট্টাচাৰ্যৰ এখন গীতৰ পুথিৰ নাম লিখা।

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত' গীতটি অসমত কি গীত হিচাপে গোৱা হয়?

(জ) পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতত কি ঋতুৱে প্ৰাধান্য পাইছে?

২। চমুকৈ উত্তৰ লিখা (যি কোনো ছটা) : ২×৬=১২

(ক) গীতিসাহিত্যৰ এটি সংজ্ঞা লিখা।

(খ) 'বাউলী' নামৰ গীতৰ পুথিখনৰ ৰচকৰ নাম কি? এইখন প্ৰথমে কিমান চনত প্ৰকাশ পাইছিল?

(গ) 'ৰূপালী নদী সোণালী সাকোঁ' নামৰ গীতৰ সংকলনখনৰ গীতিকাৰ দুজনৰ নাম লিখা।

(ঘ) গীত আৰু কবিতাৰ দুটা সাদৃশ্য উল্লেখ কৰা।

(ঙ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ দুটি বৈশিষ্ট্য উল্লেখ কৰা।

(চ) পাৰ্বতী প্ৰসাদ বৰুৱাই লিখা দুখন গীতৰ পুথিৰ নাম লিখা।

(ছ) গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈৰ কোন চনৰ, কি মাহৰ, কি তাৰিখে জন্ম হৈছিল?

(জ) আনন্দিৰাম দাসক কি উপাধিৰে বিভূষিত কৰা হৈছিল? তেওঁৰ জন্ম কোন চনত হৈছিল?





(ঝ) ভূপেন হাজৰিকাৰ কিমান চনত জন্ম হৈছিল? তেওঁ সংগীত পৰিচালনা কৰা এখন অসমীয়া কথাছবিৰ নাম লিখা।

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুটি দেশপ্ৰেমমূলক গীতৰ প্ৰত্যেকটোৰে প্ৰথম শাৰীটো লিখা।

৩। চমুকৈ আলোচনা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) গীতিসাহিত্যৰ স্বৰূপ সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা।

(খ) 'হঞ্জেৰা জেতুকী বাই' গীতটিত গীতিকাৰে জেতুকী বাইৰ চৰিত্ৰ কি ৰূপত ফুটাই তুলিছে, আলোচনা কৰা।

(গ) 'আজি ফাগুনৰ পুৱা বেলাতে' গীতত ফুটি উঠা চিত্ৰখনৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঘ) 'অসম সংগীত' গীতটিত গীতিকাৰে কৰা অসম-বন্দনা সম্পৰ্কে এটি টোকা লিখা।

(ঙ) 'সোণৰ খাৰু নেলাগে মোক' গীতটিত অসমীয়া কইনাৰ ছবি কেনেদৰে ফুটি উঠিছে?

(চ) 'কেকো বাওঁ' গীতটিৰ মূল বিষয়ত আলোকপাত কৰি এটি চমু আলোচনা আগবঢ়োৱা।

(ছ) 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই' গীতটিত অতীত-কাতৰতা কেনেদৰে ফুটি উঠিছে, চমুকৈ আলোচনা কৰা।

(জ) 'মোৰ কবিতাৰ ছন্দ লাগি' গীতটিৰ সৌন্দৰ্য বিচাৰ কৰা।

৪ । বহলাই আলোচনা কৰা (যি কোনো দুটা) : ১০×২=২০

(ক) তোমাৰ পাঠ্যক্ৰমৰ সময়সীমাৰ ভিতৰৰ অসমীয়া গীতি-সাহিত্যৰ এটি সাধাৰণ পৰ্যালোচনা আগবঢ়োৱা ।

(খ) গীতিসাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি ইয়াত ব্যৱহৃত ভাষা, শব্দ চয়নৰ বিষয়ে এটি আলোচনা কৰা ।

(গ) তোমাৰ পাঠ্যক্ৰমৰ গীতসমূহত নাৰীৰ জীৱন-চিত্ৰ কেনেদৰে অংকন কৰা হৈছে, আলোচনা কৰা ।

(ঘ) তোমাৰ পাঠ্যক্ৰমৰ গীতসমূহৰ মাজেদি অসমৰ প্ৰকৃতিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা ।

(ঙ) ভূপেন হাজৰিকাৰ গীতত ইতিহাস-চেতনা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা ।

★★★